**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
**HEADLINES**

১। রাজ্যৰ সাম্প্ৰতিক বানত ২৯ খন জিলাৰ ১৬ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত। চৰকাৰ তথা স্বেচ্ছাসেৱী সংগঠনসমূহৰ উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত।

২। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী-সাংসদ-বিধায়কৰ বানত ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ।

৩। অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত তথা সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত আজিৰে পৰা **সম্পূৰ্ণতা অভিযান** আৰম্ভ।

৪। সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ দ্বাদশ পূণ্য তিথিত ৰাজ্যবাসীৰ শ্ৰদ্ধাঞ্জলি। মুখ্যমন্ত্ৰীৰ কবিগৰাকীলৈ শ্ৰদ্ধা নিবেদন।

আৰু

৫। বিশ্বকাপ জয়ী ভাৰতীয় পুৰুষ ক্ৰিকেট দলটোক নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাক্ষাৎ। মুম্বাইত দলটোৰ বাবে বি চি চি আইৰ বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন।

০০০০০০০০

ৰাজ্যৰ সাম্প্ৰতিক বানত ২৯ খন জিলাৰ ১৬ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত ৮ জন লোকৰ বানত মৃত্যু হোৱাৰ ফলত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৬ লৈ বৃদ্ধি হৈছে। আনহাতে, তিনিজন লোক সন্ধানহীন হৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি দুহেজাৰ ৮০০ খন গাঁও বানৰ কবলত পৰাৰ লগতে প্ৰায় ৪০ হাজাৰ হেক্টৰ কৃষি ভূমি বাঢ়নী পানীয়ে বুৰাই পেলাইছে। এই বানত নগাঁও, কৰিমগঞ্জ আৰু দৰং জিলাত সৰ্বাধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি **মৰিগাঁও** জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে জনসাধাৰণৰ সৈতে মত বিনিময় কৰে। ৰাজ্যপালগৰাকীয়ে ক্ষতিগ্ৰস্তসকলক সময়মতে সাহায্য প্ৰদান কৰাৰ লগতে উপযুক্ত চিকিৎসা প্ৰদানৰ ক্ষেত্ৰতো ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। শ্ৰী কাটাৰিয়াই বানত ক্ষতিগ্ৰস্ত কৃষকসকলক উপযুক্ত ক্ষতি পূৰণৰ আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মত বিনিময় কৰি উদ্ধাৰ আৰু সাহায্য অভিযান ক্ষিপ্ৰ কৰি তুলিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে আজি **মাজুলী** আৰু **লখিমপুৰ** জিলাৰ ঢকুৱাখনাত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় সকলো সাহায্য প্ৰদান কৰা হ'ব বুলি আশ্বাস দিয়ে। তেওঁ **গুৱাহাটী মহানগৰী**ৰ পাণ্ডুত বানৰ কবলত পৰা অঞ্চলসমূহত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰৰ উভতনি সোঁতে পাণ্ডুৰ বিভিন্ন

অঞ্চল প্লাৱিত কৰিছে। জনসাধাৰণে এই সমস্যাৰ সমাধানৰ বাবে এখন শ্লুইচ গে’ট বিচৰা বুলি উল্লেখ কৰি এই কথা বিবেচনা কৰা হ’ব বুলি মুখ্যমন্ত্রীয়ে আশ্বাস দিয়ে।

মুখ্যমন্ত্রীৰ নির্দেশমর্মে কৃষি আৰু পশুপালন মন্ত্রী অতুল বৰাই আজি **নগাঁৱত** উপস্থিত হৈ জিলাখনৰ বানৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আয়ুক্ত কার্যালয়ত এখন পর্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনত ক্ষতিগ্রস্ত লোকসকলক সাহায্য আৰু উদ্ধাৰ অভিযান সন্দৰ্ভত আলোচনা কৰাৰ লগতে বিভিন্ন বিভাগক বিহিত ব্যৱস্থা গ্রহণৰ নির্দেশ দিয়া হয়।

আনহাতে, মন্ত্রী অতুল বৰাই **মৰিগাঁৱত** বান পৰিস্থিতি পৰিদর্শন কৰে। তেওঁ পুৱাৰ ভাগত মৰিগাঁও জিলাৰ আয়ুক্ত তথা জিলা প্রশাসনৰ বিষয়াসকলৰ সৈতে বান পৰিস্থিতিৰ পর্যালোচনা কৰে। মন্ত্রীগৰাকীয়ে অহা ১৫ আগষ্টৰ পূর্বে জনসাধাৰণক বানত হোৱা ক্ষয়-ক্ষতিৰ বাবে সাহায্য প্রদান সম্পূর্ণ কৰিবলৈ নির্দেশ দিয়ে। তদুপৰি এই সময়ছোৱাত সংশ্লিষ্ট সকলো বিভাগক সজাগ আৰু সতর্ক হৈ থাকিবলৈ তেওঁ নির্দেশ দিছে। ইফালে সাংসদ কামাখ্যা প্রসাদ তাচাই আজি **গোলাঘাট** জিলাৰ বানৰ কবলত পৰা অঞ্চল ভ্রমণ কৰি পৰিস্থিতিৰ বুজ লয়।

গোলাঘাট জিলাৰ বান পৰিস্থিতি সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয় –

ভইচ

অসম প্রদেশ কংগ্রেছৰ সভাপতি ভূপেন বৰাই আজি **গোলাঘাট** জিলাৰ বান ক্ষতিগ্রস্ত অঞ্চলসমূহ ভ্রমণ কৰি পৰিস্থিতিৰ বুজ লয়। তেওঁ বোকাখাত, দেৰগাঁও, মহুৰামুখ আৰু বংকুৱালৰ বান ক্ষতিগ্রস্ত অঞ্চল ভ্রমণ কৰাৰ উপৰি ক্ষতিগ্রস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে।

ইফালে, ব্রহ্মপুত্রৰ বাঢ়নী পানীয়ে **ধুবুৰী** ৰাজহ চক্রৰ শতাধিক গাঁও প্লাৱিত কৰিছে। ব্রহ্মপুত্র আৰু ইয়াৰ উপনৈসমূহৰ জলপৃষ্ঠ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাত বিলাসীপাৰা মহকুমাৰ বিস্তীর্ণ অঞ্চল প্লাৱিত হৈছে। আজি ধুবুৰী সমষ্টিৰ নৱ-নির্বাচিত সাংসদ ৰকিবুল হুছেইনে বিভিন্ন বান ক্ষতিগ্রস্ত অঞ্চল পৰিদর্শন কৰি পৰিস্থিতিৰ বুজ লয়। **বৰপেটা** জিলাৰ বিস্তীর্ণ অঞ্চল বানৰ কবলত পৰিছে। জিলাখনৰ ভোগেৰপাৰ, বাৰাদিকে ধৰি অর্ধ শতাধিক গাঁও বানৰ কবলত পৰিছে। ইপিনে, চেঙা সমষ্টিত বান পৰিস্থিতি অধিক শোচনীয় হৈ পৰিছে। ৩ খন গাঁৱৰ তিনি শতাধিক পৰিয়ালৰ বাসগৃহ জলমগ্ন হৈ পৰাত জনসাধাৰণ ভীষণ অসুবিধাৰ সন্মুখীন হৈছে। **বঙাইগাঁও** জিলাৰ ৭৫ খন গাঁও বানৰ কবলত পৰিছে। শেহতীয়া বানত ২৩ হাজাৰৰো অধিক পশুধনৰ ক্ষতি হৈছে। আজি জিলাখনৰ আয়ুক্তই ক্ষতিগ্রস্ত লোকৰ ওচৰলৈ গৈ তেওঁলোকৰ অৱস্থাৰ বুজ লয়।

**কাজিৰঙা** ৰাষ্ট্রীয় উদ্যানৰ মুঠ ১৭৩ টা বন শিবিৰ বানত জলমগ্ন হৈছে। উদ্যান কর্তৃপক্ষ আৰু ব্যাঘ্র সংৰক্ষিত বনাঞ্চলে বানত উটি যোৱা বন্য জন্তুক সুৰক্ষা দিয়াৰ ক্ষেত্রত কাজিৰঙাৰ কাষৰীয়া ৰাজ্যৰ সহযোগিতা কামনা কৰিছে। বানত উটি যোৱা জন্তু দেখা পোৱাৰ লগে লগে বন বিভাগ বা আৰক্ষীক খবৰ দিবলৈ আহ্বান জনোৱা হৈছে। তদুপৰি বানত দিশহাৰা হৈ জনাঞ্চলত প্ৰৱেশ কৰা পহু বা অন্য জন্তু নিধন কৰা কার্যৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে। **ওৰাং** ৰাষ্ট্রীয় উদ্যানৰ ৭০ শতাংশ অঞ্চল বানে বুৰাই পেলাইছে। উদ্যানখনৰ দক্ষিণ দিশেৰে ব্রহ্মপুত্র, ধনশ্রী আৰু পাঁচনৈৰ বাঢ়নী পানী সোমাই অহাৰ ফলত বিস্তীর্ণ অঞ্চল প্লাৱিত হৈছে। বানৰ কৱলত পৰা বন্যজন্তুসমূহে ওখ স্থানত আশ্রয় লৈছে। জানিব পৰা মতে কালিৰেপৰা ধনশ্রী নৈৰ পানী বাঢ়ি অহাত উদ্যানখনৰ পূব প্রান্তৰ কেইবাটাও বন শিবিৰ সম্পূর্ণৰূপে বুৰ যায়।

ইপিনে, **লখিমপুৰ** জিলাৰ আয়ুক্ত তথা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা নিৰ্দেশনা অনুসৰি টেকেলিফুটাৰ পৰা লোটাচোৰলৈ নিৰ্মাণ কৰা মথাউৰিত গধুৰ যান-বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা পুনৰ জাননী নিদিয়া পৰ্যন্ত বাহাল থাকিব।

**বৰাক** উপত্যকাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। হাইলাকান্দি জিলাৰ তিনিখন প্ৰধান নৈ - বৰাক, ধলেশ্বৰী আৰু কাটাখালৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত মোহনপুৰ অঞ্চলত মথাউৰি ছিগি কেইবাখনো গাঁও প্লাৱিত হৈছে। তদুপৰি মোহনপুৰ-শিলচৰ সংযোগী পথটো জলমগ্ন হৈ পৰিছে। সামগ্ৰিকভাৱে জিলাখনৰ পাঁচটা ৰাজহ চক্ৰৰ কমেও ১২৫ খন গাঁও এইবাৰৰ বানত ক্ষতিগ্ৰস্ত হৈছে। **কৰিমগঞ্জ** জিলাৰ বান পৰিস্থিতিৰ ক্ৰমাৎ অৱনতি ঘটিছে। জিলাখনৰ তিনিওখন নৈ বিপদসীমাৰ ওপৰেৰে বৈ থকাত কমেও ৩২০ খন গাঁও বানত বুৰ গৈছে। বদৰপুৰ-কান্দিগ্ৰামৰ মথাউৰি ছিগি যোৱাৰ ফলত সমগ্ৰ অঞ্চলটো পানীত বুৰ গৈছে। এনে পৰিস্থিতিত জিলাখনৰ সকলো চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰা হৈছে।

**যোৰহাট** জিলাৰ টীয়কৰ জাঁজীমুখত হাতীশাল সংযোগী পকীপথ বানে খহাই নিয়াৰ লগতে প্ৰলয়ংকৰী বানে অঞ্চলটোত বিস্তৰ ক্ষতি কৰিছে। ডিব্ৰুগড় জিলাত বুঢ়ী দিহিং নৈৰ বাঢ়নি পানীয়ে জিলাখনৰ পশ্চিম ৰাজহ চক্ৰৰ বিভিন্ন অঞ্চল বুৰাই পেলাইছে। মথাউৰিৰ ওপৰেৰে পানী বাগৰাৰ ফলত জনসাধাৰণে নৈখনৰ মথাউৰি ছিগাৰ আশংকা প্ৰকাশ কৰিছে। ওদালগুৰি জিলাৰ গৰুৰাঝাৰত বান আৰু খহনীয়াই জনসাধাৰণৰ জীৱন বিপৰ্যস্ত কৰি তুলিছে। ভূটানৰ পৰা বৈ অহা ননৈয়ে ভেৰগাঁৱৰ বিভিন্ন অঞ্চল প্লাৱিত কৰিছে। সাম্প্ৰতিক বান পৰিস্থিতিৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ ক্ষতি হোৱাৰ পৰিপ্ৰেক্ষিতত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে আজি এখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত ৰাজ্যখনৰ বানৰ ফলত কৃষিখণ্ডৰ ক্ষয়-ক্ষতি সন্দৰ্ভত আলোচনা কৰা হয়। এই সভাত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয়, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰতিনিধিৰ উপস্থিতিত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

oooooooo

অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত তথা সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত আজিৰেপৰা **সম্পূৰ্ণতা অভিযান** ৰূপায়ণ কৰা হৈছে। বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা,ওদালগুৰি আৰু হাইলাকান্দিকে ধৰি মুঠ ৭খন জিলা তথা ২০টা উন্নয়ন খণ্ড এলেকাক এই অভিযানে সামৰি লৈছে।

উল্লেখযোগ্য যে বৰ্তমানলৈ উন্নয়নৰ সুফল নোপোৱা দেশৰ ভিন্ন প্ৰান্তৰ অঞ্চলক সামৰি কেন্দ্ৰীয় চৰকাৰে এনে অঞ্চলসমূহৰ দ্ৰুত উন্নয়নৰ লক্ষ্যৰে **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰিছে। নীতি আয়োগে আৰম্ভ কৰা এই অভিযান ৩০ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই অভিযানৰ জৰিয়তে অভিলাষী জিলা কাৰ্যসূচী আৰু অভিলাষী খণ্ড কাৰ্যসূচীৰ অধীনত ১১২ খন অভিলাষী জিলা আৰু ৫০০টা অভিলাষী খণ্ডৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

**সম্পূৰ্ণতা অভিযান**ৰ অভিলাষী জিলাৰ কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় চামিলকৰণ, দক্ষতা বিকাশ আৰু আন্তঃগাঁথনিক সামৰি লোৱাৰ বিপৰীতে অভিলাষী খণ্ড কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু কৃষি সম্বন্ধীয় অন্যান্য সেৱা, প্ৰাথমিক স্তৰৰ আন্তঃগাঁথনি তথা সামাজিক উন্নয়নক সামৰি লোৱা হৈছে। এই অভিযানৰ অধীনত জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলত

প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায় বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০০

কবিতাৰে জনতাৰ হৃদয় জয় কৰা সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ দ্বাদশ পূণ্য তিথিত আজি অনুৰাগীসকলৰ লগতে ৰাজ্যৰ বিভিন্ন দল-সংগঠনে তেওঁক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছে। অসমীয়া কাব্য সাহিত্য জগতৰ অন্যতম ভোটা তৰা কবিগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে অতুলনীয় শব্দ সম্ভাৰেৰে কবিতা সৃষ্টি কৰা শব্দৰ খনিকৰগৰাকীৰ কবিতাত দেশপ্ৰেম, মানৱ প্ৰেম, প্ৰকৃতি আদিৰ মনোমোহা অলংকাৰ দেখিবলৈ পোৱা যায়। সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে কবিগৰাকীৰ অসাধাৰণ ব্যক্তিত্বৰ কথাও উল্লেখ কৰে। উল্লেখযোগ্য যে অনুভূতিৰ গভীৰতা, কাব্যিক গীতিময়তা আৰু অভিনৱ প্ৰকাশশৈলীৰে সাহিত্যানুগৰাকীৰ অন্তৰলৈকে শিপাই থকা কবি হীৰেন ভট্টাচাৰ্যই সাহিত্য একাডেমী আৰু অসম উপত্যকা সাহিত্য বঁটাৰেও সন্মানিত হৈছিল।

০০০০০০০০

পহিলা জুলাইৰ পৰা দেশত বলৱৎ হোৱা তিনিখন নতুন আইন সন্দৰ্ভত আজি বৰপেটা জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত সমাজ কল্যাণ বিভাগৰ অধীনত কৰ্মৰত শিশু উন্নয়ন প্ৰকল্প বিষয়া আৰু ছুপাৰ ভাইজাৰসকলক আইন তিনিখনৰ বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰোৱা হয়। এই সভাত প্ৰশাসনৰ শীৰ্ষ বিষয়া আৰু কেইবাগৰাকীও অধিবক্তাই আইন তিনিখন সন্দৰ্ভত ভাষণ দিয়ে।

লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সহযোগত আজি জিলাখনত নতুন আইন তিনিখনত মহিলা আৰু শিশুৰ বাবে থকা বিভিন্ন সুবিধা সম্পৰ্কে আলোচনা কৰা হয়। এই অনুষ্ঠানত চাৰি শতাধিক লোকে অংশগ্ৰহণ কৰে। ঢকুৱাখনাৰ ম'হঘুলি চাপৰিত সামূহিক গৃহ আৰু মধুপুৰ চাহ বাগিচা আদৰ্শ বিদ্যালয় প্ৰাংগণত ১০০ দিনীয়া সজাগতা কাৰ্যসূচীৰ অংশ হিচাপে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

উল্লেখযোগ্য যে দেশৰ জনসাধাৰণক ন্যায় প্ৰদানৰ লগতে নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে ১ জুলাইৰ পৰা দেশত তিনিখন নতুন আইন বলৱৎ হৈছে। ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম শীৰ্ষক এই আইন কেইখনে ন্যায় প্ৰদান আৰু সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়াত কেতবোৰ নতুনত্বৰ সঞ্চাৰ কৰি সমগ্ৰ প্ৰক্ৰিয়াটো পূৰ্বতকৈ সূচল কৰি তুলিব বুলি আশা কৰা হৈছে। নতুন আইন অনুসৰি আৰক্ষীয়ে এতিয়া কোনোধৰণৰ স্পষ্টিকৰণ অবিহনে ২৪ ঘণ্টাৰ বাবে সন্দেহজনক অভিযুক্তক আটক কৰিব পাৰে। আনহাতে পলাতক অৱস্থাত থকা অপৰাধীৰ বিৰুদ্ধে বিচাৰ চলোৱাৰ উপৰি তেনে অৱস্থাতে বিচাৰৰ ৰায় ঘোষণা কৰিব পৰা ব্যৱস্থা কৰা হৈছে। এই আইন বলবৎ হোৱাৰে পৰা নাগৰিকে দেশৰ যিকোনো এটা স্থানত থকা অৱস্থাত তেওঁৰ সৈতে সংঘটিত হোৱা অপৰাধৰ এজাহাৰ মোবাইল যোগে নাইবা নিজৰ স্থানীয় থানাটো দাখিল কৰিব পাৰিব। তদুপৰি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১১১ নম্বৰ ধাৰা

অনুসৰি গণ হত্যা নাইবা ম'ৰেল প'লিচিঙৰ ক্ষেত্ৰত কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে। এনে গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত যাৱজ্জীৱন কাৰাদণ্ড নাইবা ৫লাখ টকা পৰ্যন্ত জৰিমনা বিহাৰ ব্যৱস্থা ৰখা হৈছে। অপৰাধী সাৰি যাব নোৱাৰাকৈ নতুন আইনত কঠোৰ ব্যৱস্থা ৰখা হ'ব। এতিয়াৰে পৰা প্ৰযুক্তিৰ সহায়ত বিভিন্ন আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। **WHATSAPP**যোগেও চমন জাৰি কৰিব পৰা ব্যৱস্থা লোৱাৰ লগতে মোবাইলৰ এছ্এমএছ্, ফটো, অডিঅ' বা ভিডিঅ' আদিও সাক্ষ্য হিচাপে লোৱা হ'ব। সাক্ষী সুৰক্ষা আঁচনি প্ৰৱৰ্তনৰ দ্বাৰা নতুন আইনত সাক্ষীৰ বিশেষ সুৰক্ষাৰ ব্যৱস্থা ৰখা হৈছে। ইয়াৰ ফলত কোনো গোচৰৰ সাক্ষীয়ে আৰক্ষীৰ ওচৰলৈ গৈ সহায় বিচাৰিব পাৰে। আনহাতে নতুন আইনত আৰক্ষীয়ে গোচৰ প্ৰত্যাহাৰ কৰাৰ আগতে, অভিযোগকাৰীৰ আদালতৰ সন্মুখত তথ্য উপস্থাপন কৰাৰ অধিকাৰ দিয়া হৈছে।

ইপিনে নতুন আইন তিনিখন সন্দৰ্ভত ব্যাপক সজাগতা সৃষ্টিৰ বাবে প্ৰশাসন, আৰক্ষী আৰু অধিবক্তাসকলৰ বিভিন্ন স্থানত প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। তদুপৰি ঠায়ে ঠায়ে জনসাধাৰণক আইন তিনিখন সন্দৰ্ভত সজাগ কৰি তোলাৰ বাবে সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

oooooooo

পঞ্চায়ত আৰু  গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সাম্প্ৰতিক বান পৰিস্থিতিৰ ফলত অলপতে মৃত্যু হোৱা তিনিচুকীয়া জিলাৰ শদিয়া বিধানসভা সমষ্টিৰ হাতিঘুলিৰ ৩ নম্বৰ ন-বৰমূৰা নিৱাসী শিৱানুজ তিৰ্কিৰ পৰিয়ালক আজি সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ তৰফৰ পৰা আগবঢ়োৱা ৪ লাখ টকাৰ চেক পৰিয়ালবৰ্গক অৰ্পণ কৰে। মন্ত্ৰীগৰাকীৰ ভ্ৰমণ কালত স্থানীয় বিধায়ক বলিন চেতিয়াৰ লগতে অঞ্চলটোৰ প্ৰাক্তন পঞ্চায়ত সভাপতিও উপস্থিত থাকে।

oooooooo

বিশ্বকাপ জয়ী ভাৰতীয় পুৰুষ ক্ৰিকেট দলটোৱে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। ইয়াৰ পূৰ্বে দলটো ৰাষ্ট্ৰীয় ৰাজধানীৰ ছেভেন লোক কল্যাণ মাৰ্গত থকা থকা প্ৰধানমন্ত্ৰীৰ বাসগৃহত উপস্থিত হয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই দলটোক আদৰণি জনাই কয় যে, সমগ্ৰ দেশে বাৰবাডোজৰ ভূমিত ভাৰতীয় ত্ৰিৰংগা উৰুৱাই অহা দলটোক স্বাগতম জনাবলৈ অধীৰ আগ্ৰহেৰে বাট চাই আছিল। বি চি চি আইৰ উপাধ্যক্ষ ৰাজীৱ শুক্লাই খিতাপ জয়ৰ বাবে সকলো খেলুৱৈ, দলৰ ব্যৱস্থাপনা আৰু বি চি চি আইৰ বিষয়াসকলক কৃতিত্ব দিয়ে। প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰাৰ পাছতে ভাৰতীয় দলটো মুম্বাইলৈ উৰা মাৰে। মুম্বাইত দলটোক আদৰাৰ বাবে মুক্ত বাহনযোগে শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। ইয়াৰ পাছতে ৱাংখেড়ে ষ্টেডিয়ামত আয়োজিত সম্বৰ্দ্ধনা অনুষ্ঠানত বি চি চি আয়ে বিজয়ী দলটোক পুৰস্কাৰ প্ৰদান কৰিব।

oooooooo

**সমাপ্ত**